ৰাজনীতি

# ‘‘দিমাগী নক্সাল’’ক নির্মূল কৰাই পৰৱর্তী লক্ষ্য: কিৰেণ ৰিজিজু

ৰাহুল গান্ধীৰ সমালোচনাৰ প্রত্যুত্তৰত কিৰেণ ৰিজিজুৱে সশস্ত্র মাওবাদীক নির্মূল কৰাৰ পাছত ‘‘দিমাগী নক্সাল’’ক নির্মূল কৰাই চৰকাৰৰ পৰৱর্তী লক্ষ্য বুলি কয়।

প্রকাশ: ১০ নৱেম্বৰ ২০২৬, আবেলি ৫:২৪



Kiren Rijiju responded to Rahul Gandhi (ANI)

নতুন দিল্লী, ১০ নৱেম্বৰ: প্রধানমন্ত্রী নৰেন্দ্র মোদীৰ ‘দিমাগী নক্সাল’ মন্তব্যক লৈ কংগ্রেছ নেতা ৰাহুল গান্ধীয়ে কৰা সমালোচনাৰ প্রত্যুত্তৰ দিছে কেন্দ্রীয় মন্ত্রী কিৰেণ ৰিজিজুৱে। সশস্ত্র মাওবাদীক নির্মূল কৰাৰ পাছত চৰকাৰৰ পৰৱর্তী লক্ষ্য ‘মানসিক নক্সাল’ক নির্মূল কৰা বুলি মন্তব্য কৰে কেন্দ্রীয় মন্ত্রীগৰাকীয়ে।

সামাজিক মাধ্যম এক্সত এক পোষ্টযোগে ৰাহুল গান্ধীক সম্বোধন কৰি ৰিজিজুৱে কয় যে, সশস্ত্র মাওবাদীক নির্মূল কৰাৰ বাবে মোদীক ধন্যবাদ জনোৱা উচিত। প্রাক্তন প্রধানমন্ত্রী ড০ মনমোহন সিঙে বাওঁপন্থী উগ্রবাদ আৰু

নক্সালবাদক দেশৰ আভ্যন্তৰীণ নিৰাপত্তাৰ বাবে আটাইতকৈ ডাঙৰ ভাবুকি বুলি অভিহিত কৰিছিল বুলিও তেওঁ উল্লেখ কৰে।

> “পৰৱৰ্তী লক্ষ্য হৈছে দিমাগী নক্সালক নির্মূল কৰা।”

ইয়াৰ পূর্বে ছত্তীশগড়ৰ বস্তৰত দীপাৱলী উদযাপনৰ সময়ত নিৰাপত্তাৰক্ষীসকলক সম্বোধন কৰি প্রধানমন্ত্রী মোদীয়ে ‘দিমাগী নক্সাল’ৰ প্রসংগ উত্থাপন কৰিছিল। সশস্ত্র নক্সালবাদীসকলক অৰণ্যৰ পৰা নির্মূল কৰা হৈছে যদিও বিভিন্ন সংগঠন আৰু ৰাজনৈতিক দলৰ মাজত মানসিক নক্সালৰ প্রভাৱ এতিয়াও আছে বুলি তেওঁ মন্তব্য কৰিছিল।

মোদীৰ এই মন্তব্যৰ প্রতিক্রিয়াত সোমবাৰে ৰাহুল গান্ধীয়ে সামাজিক মাধ্যমত প্রতিক্রিয়া প্রকাশ কৰিছিল। বস্তৰৰ দীপাৱলী অনুষ্ঠানত উপস্থিত থকা চি আৰ পি এফৰ জোৱানসকলক উদ্দেশ্যি তেওঁ লিখিছিল যে, তেওঁলোকৰ মুখৰ অভিব্যক্তিয়েই সকলো কথা কৈ দিছিল আৰু তেওঁলোকে প্রধানমন্ত্রীৰ কথাত বিশ্বাস কৰা নাছিল। লগতে প্রধানমন্ত্রীক পুনৰ মুকলি বিতর্কৰ প্রত্যাহ্বান জনাই কোন দেশবিৰোধী আৰু কোন বিদেশী শক্তিৰ দ্বাৰা পৰিচালিত, সেই বিষয়ত আলোচনাৰ আহ্বান জনাইছিল তেওঁ।

---

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক: newznow.in/news/1794/kien-ijiju-ahul-gandhee-dimagee-nksal